জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৩৫/২০২০

## গৃহ তথা সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক

# ‘মৈত্ৰী’ আঁচনিৰ আৰ্হিৰে ৰাজ্যৰ সীমান্ত আৰক্ষী চকী (বি অ’ পি)সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এক বিশেষ অভিযান হাতত লোৱাৰ কথা ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

- সীমান্ত এলেকাৰ পথ যোগাযোগ, বিদ্যুৎ, খোৱাপানীৰ সুব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ
- ১০০ খন সীমান্ত আৰক্ষী চকীলৈ যোগান ধৰা হ’ব ৪ খনকৈ মটৰচাইকেল আৰু ৮ খনকৈ চাইকেল, ইন্ধনৰ বাবেও ৰখা হ’ব আছুতীয়া পুঁজি

**দিছপুৰ, ১৮ ডিচেম্বৰ ঃ** ‘মৈত্ৰী’ আঁচনিৰ আৰ্হিৰে ৰাজ্যৰ সীমান্ত আৰক্ষী চকী (বি অ’ পি)সমূহৰ সৰ্বাংগীণ আন্তঃগাঁথনি উন্নয়নৰ বাবে এক বিশেষ অভিযান হাতত লোৱাৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই আঁচনিৰ অধীনত সীমান্ত আৰক্ষী চকীৰ ভৱনসমূহ অত্যাধুনিক ৰূপত নতুনকৈ নিৰ্মাণ অথবা উন্নীতকৰণ কৰাৰ লগতে সংলগ্ন বেৰেক নিৰ্মাণৰো ব্যৱস্থা গ্ৰহণ কৰা হ’ব। প্ৰায় ১০০ কোটি টকা ব্যয়ৰে প্ৰথম পৰ্যায়ত এই অভিযানৰ অধীনত ৫০ খনকৈ সীমান্ত আৰক্ষী চকীক সামৰি লোৱা হ’ব যদিও পৰৱৰ্তী পৰ্যায়ত ইয়াক অধিক সম্প্ৰসাৰিত কৰা হ’ব। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ কাম-কাজসমূহৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে এই ঘোষণা কৰে। এই সীমান্ত আৰক্ষী চকীসমূহলৈ যাতায়াতৰ সুব্যৱস্থা কৰাৰ লগতে বিদ্যুৎ আৰু খোৱাপানীৰ উপযুক্ত ব্যৱস্থা কৰাৰ বাবেও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ তেওঁ বিভাগটোৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে।

ৰাজ্যখনৰ আন্তঃৰাজ্যিক সীমান্তৰ আওহতীয়া স্থানসমূহত থকা সীমান্ত আৰক্ষী চকীসমূহত কৰ্মৰত আৰক্ষী জোৱানসকলে যথেষ্ট প্ৰতিকূলতাৰ মাজেৰে কৰ্তব্য পালন কৰিবলগীয়া হোৱাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ সুবিধা-অসুবিধাৰ বুজ লোৱাৰ লগতে প্ৰয়োজনীয় প্ৰাথমিক সা-সুবিধাখিনি প্ৰদানৰ দিশত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। সীমান্ত অঞ্চলত বসবাস কৰা লোকসকলৰ সুৰক্ষা আৰু উন্নয়নৰ স্বাৰ্থত তথা সীমান্তৰ তদাৰকী ব্যৱস্থা সুচলতৰ কৰাৰ বাবে এই অঞ্চলসমূহত উন্নত বাট-পথ, দলং আদিৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব বুলি উল্লেখ কৰি এইক্ষেত্ৰত প্ৰয়োজনীয় আঁচনি যুগুত কৰিবলৈও তেওঁ বিভাগটোক নিৰ্দেশ দিয়ে। বিভাগটোৰ প্ৰস্তাৱ অনুসৰি তহলদাৰী আৰক্ষী জোৱানসকলৰ আহ-যাহৰ সুবিধাৰ বাবে ৰাজ্যৰ ১০০ খন সীমান্ত আৰক্ষী চকীলৈ ৪ খনকৈ মটৰচাইকেল আৰু ৮ খনকৈ চাইকেল যোগান ধৰাৰ লগতে ইন্ধনৰ বাবেও যাৱতীয় পুঁজি প্ৰদান কৰা হ’ব বুলি তেওঁ জানিবলৈ দিয়ে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আজিৰ বৈঠকত গৃহ বিভাগ আৰু সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ বিষয়ববীয়াসকলে ৰাজ্যখনৰ আন্তঃৰাজ্যিক সীমান্তৰ শেহতীয়া পৰিস্থিতিৰ সবিশেষ মুখ্যমন্ত্ৰীক অৱগত কৰে। চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহ আৰু স্থানীয় প্ৰশাসনৰ সৈতে আলাপ-আলোচনাৰ মাধ্যমেৰে স্পৰ্শকাতৰ অঞ্চলসমূহৰ সীমা-বিবাদ সন্দৰ্ভত সমাধানসূত্ৰত উপনীত হ'ব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যৰ ভাৰত-বাংলা আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সাম্প্ৰতিক পৰিস্থিতি, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াৰ শেহতীয়া স্থিতি আদি বিষয় সন্দৰ্ভতো গৃহ বিভাগৰ বিষয়াসকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন বৰঠাকুৰ, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান মুকেশ আগৰৱালা, গৃহ বিভাগৰ আয়ুক্ত-সচিব জি ডি ত্ৰিপাঠী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ সচিব প্ৰভাতী থাওচেনকে ধৰি সংশ্লিষ্ট বিভাগসমূহৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

**প্ৰঃকুঃবঃ**
**১৮/১২/২০২০**